# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date :** 06-10-2025
**Time :** 21-25 Hrs

# *Assamese Night Bulletin*

::::::::::::::::::::

ধুবুৰী, দক্ষিণ শালমৰাকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানৰ চৰ অঞ্চলত শিক্ষকতা কৰি থকা শিক্ষয়িত্ৰীসকলক ৰাজ্য চৰকাৰে গৃহ জিলালৈ বদলিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৫ বছৰ শিক্ষকতা সম্পূৰ্ণ কৰা শিক্ষয়িত্ৰীসকলক গৃহ জিলা অথবা গৃহ জিলাৰ সমীপৰ আন এখন জিলালৈ বদলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়–

***বাইট ঃ মুখ্যমন্ত্ৰী***

সমগ্ৰ শিক্ষা অভিযানৰ অধীনত পূৰ্বৰ ৫ বছৰৰ পৰিৱৰ্তে ৩ বছৰ সেৱা সম্পূৰ্ণ কৰা শিক্ষকসকলক চৰকাৰী শিক্ষক হিচাপে নিয়মীয়াকৰণতো মন্ত্ৰীসভাই আজি অনুমোদন জনায়। চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত বিতৰণৰ বাবে চাইকেল ক্ৰয়ত অনুমোদন জনোৱাৰ লগতে মন্ত্ৰীসভাই স্নাতক প্ৰথম বৰ্ষৰ পাঠ্যক্ৰমত নামভৰ্তি কৰা শিক্ষাৰ্থীৰ নামভৰ্তিৰ মাচুল পৰিশোধৰ বাবে **প্ৰজ্ঞান ভাৰতী আঁচনি**ৰ অধীনত ১২৬ কোটি ৯৭ লাখ টকাৰ বিত্তীয় আৱণ্টন দিয়ে। আজিৰ বৈঠকত ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ অধীনত সামৰি লোৱা ৰাজ্যিক কৰ্মচাৰীৰ বাবে ইউনিফাইড পেঞ্চন আঁচনি প্ৰৱৰ্তনত অনুমোদন জনোৱা হয়।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ১০ হাজাৰ ১৮৬ গৰাকী সামূহিক কেডাৰক অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনি অধীনত হিতাধিকাৰী হিচাপে অন্তৰ্ভুক্তিতো মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০০

শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ. আই. টিৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে। গোচৰ সংক্ৰান্তত আছ আই টিয়ে আজি জুবিন গাৰ্গৰ ষ্টুডিঅ'ৰ কেয়াৰ টেকাৰ অভিমন্যু তাঁতী, ব্যক্তিগত সহায়ক সাধন নাথ, ঋতু প্ৰয়াগ গাৰ্গকে ধৰি আন কেইবাগৰাকীৰো ভাষ্য গ্ৰহণ কৰে। এছ. আই. টিয়ে ঘটনাৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ পত্নী অনিতা ডেকা মহন্তৰো আজি ভাষ্য গ্ৰহণ কৰে। ঘটনাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত থকা লোকৰ লগতে বিগত এমাহৰ পৰা দুমাহ ধৰি জুবিন গাৰ্গে যিসকল লোকৰ সৈতে যোগাযোগত আছিল সেইসকল লোকৰো এছ. আই. টিয়ে ভাষ্য গ্ৰহণ কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে আজি সংবাদমেলত জনোৱা অনুসৰি ছিংগাপুৰৰ প্ৰবাসী ভাৰতীয় ৰূপকমল কলিতা কাইলৈ ভাৰতলৈ আহিব। জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ৰূপকমল কলিতা য়টখনত আছিল।

০০০০০০০

শিক্ষা অথবা কৰ্মসূত্ৰে ৰাজ্যৰ বাহিৰত থকা কোনো অসম সন্তানৰ দুৰ্ভাগ্যজনকভাৱে মৃত্যু হ'লে ৰাজ্য চৰকাৰে সন্মান সহকাৰে তেওঁৰ নশ্বৰদেহ ৰাজ্যলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰিব। এই উদ্দেশ্যে ৰাজ্য চৰকাৰে আজি **শ্ৰদ্ধাঞ্জলি** আঁচনিখন মুকলি কৰে। ৰাজ্য চৰকাৰে হেল্পলাইন নম্বৰত এই বিষয়ে প্ৰতিবেদন লাভ কৰাৰ পাছত মৃতকক ৰাজ্যলৈ ঘূৰাই অনাৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

অসম চৰকাৰে সত্যাসত্য নিৰূপণ কৰি নশ্বৰদেহৰ অন্তিম সংস্কাৰৰ বাবে ৰাজ্যলৈ ঘূৰাই অনাৰ যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব। সুচল পৰিবহণৰ বাবে বাহনৰ লগতে অন্যান্য আনুষ্ঠানিকতাও নিশ্চিত কৰা হ'ব। জনসাধাৰণে ৯১৮১০-১৪৮৮৮ নম্বৰত হোৱাটছএপ কৰি নাইবা ০৩৬১-২৩৮১৫১১ আৰু ২৩৮১১১২ নম্বৰত ফোন কৰি দুৰ্ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সৈতে যোগাযোগ কৰিব পাৰিব।

0000000

গুৱাহাটীৰ খানাপাৰাত থকা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত কাইলৈ অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণী অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৰাজ্যৰ একাধিক স্থানত কাইলৈ এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্তসকলক অৰুণোদয় আঁচনিৰ ৰূপায়ণৰ কাম যথাযথভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিছে।

0000000

লখিমপুৰ জিলাৰ কদম কছাৰী গাঁৱৰ নামঘৰ আৰু হাজংগাঁৱৰ অংগনৱাড়ী কেন্দ্ৰত আজি **মনৰ আলাপ** প্ৰকল্পৰ অধীনত মানসিক স্বাস্থ্য সন্দৰ্ভত সজাগতা সভাৰ আয়োজন কৰা হয়। মানসিক ৰোগৰ কাৰণ, লক্ষণ, ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় সম্পৰ্কে সভাত বিতংভাৱে আলোচনা কৰা হয়। বেচৰকাৰী সংস্থা **অপ্টিক্স ফাউণ্ডেচন**ৰ সহযোগত এই সভাৰ আয়োজন কৰা হয়।

0000000

**সমাপ্ত**